**পদ্মসিংজী বাজীৰাও পাটিল আৰু অন্যান্য ইত্যাদি**

***বনাম***

**মহাৰাষ্ট্ৰ চৰকাৰ আৰু অন্যান্য**

**১৬ ছেপ্টেম্বৰ, ১৯৯৯**

**[মুখ্য ন্যায়াধীশ ড° এ.এচ. আনন্দ, ন্যায়াধীশ এচ. ৰাজেন্দ্ৰ বাবু আৰু ন্যায়াধীশ আৰ.চি. লাহতী]**

*মহাৰাষ্ট্ৰ কো-অপাৰেটিভ ছ'চাইটীজ আইন, ১৯৬০:*

*ধাৰা ১৪৪-টি – নিৰ্বাচনী বিবাদ – আয়ুক্ত বা নিৰ্দিষ্ট বিষয়াৰ দ্বাৰা আদেশ – চুড়ান্ত আৰু নিৰ্ণায়ক হ'ব – বিধি প্ৰত্যাহ্বান জনোৱা হৈছিল কিয়নো ধাৰা ১৪৪-টি-ৰ অধীনৰ আদেশৰ বিৰুদ্ধে আপীল বা পুনৰীক্ষণৰ জৰিয়তে কোনো সংশোধনী ব্যৱস্থা কৰা হোৱা নাই আৰু ই ভাৰতৰ সংবিধানৰ ১৪ নং অনুচ্ছেদক উলংঘা কৰে – ৰায় দিয়া হয় যে – এই বিধিত স্বেচ্ছাচাৰীতা বা অযুক্তিকৰতাৰ অৱকাশ নাথাকে – বৃহৎ প্ৰতিষ্ঠানসমূহৰ সৈতে জড়িত নিৰ্বাচনী বিবাদৰ বিচাৰৰ বাবে এক পৃথক কাৰ্যব্যৱস্থা প্ৰদান কৰাৰ উদ্দেশ্যেৰে ধাৰা ১৪৪-টি প্ৰণয়ন কৰা হৈছিল –এই ধাৰাটোৱে কিছুমান নিৰ্দিষ্ট অঞ্চলত নিৰ্বাচনী বিবাদ মীমাংসা কৰাৰ বাবে সীমিত ক্ষমতাহে প্ৰদান কৰে আৰু আইনখনৰ একাদশ এ অধ্যায়ৰ দ্বাৰা প্ৰাপ্ত কৰিবলগীয়া লক্ষ্যৰ সৈতে ইয়াৰ স্পষ্ট সম্পৰ্ক আছে – ভাৰতৰ সংবিধান, ১৯৫০ – ১৪ নং অনুচ্ছেদ।*

*চাপড়গাঁও বিবিধ কাৰ্যকাৰী সেৱা সহকাৰী ছ'চাইটী লিমিটেড আৰু অন্যান্য* **বনাম** *কালেক্টৰ অৱ আহমেদনগৰ আৰু অন্যান্য,* **(১৯৮৯) এমএইচ. এল.জে. ৮৭২ অনুমোদিত হৈছে।**

দেৱানী আপীলীয় অধিকাৰক্ষেত্ৰ: ১৯৯৬-ৰ দেৱানী আবেদন সংখ্যা ১২৪৩১ ইত্যাদি।

১৯৯৫-ৰ ডাব্লিউ.পি. সংখ্যা ৫৭৫৯-ত বম্বে উচ্চ ন্যায়ালয়ৰ ১০.১.৯৬ তাৰিখে প্ৰদান কৰা ৰায়দান আৰু আদেশৰ পৰা।

আবেদনকাৰীসকলৰ হৈ এ.এম. খানৱিলকৰ।

উত্তৰদাতাসকলৰ হৈ জি.বি. সাথে।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হ'ল:

এচ.এল.পি.(চি) সংখ্যা ১৪০৭৫/৯৯ (চি.চি. ৫২৩১/৯৬)-ৰ বিলম্ব মাৰ্জনা কৰা হ'ল।

এচ.এল.পি.(চি) সংখ্যা ১৪০৭৫/৯৯ (চি.চি. ৫২৩১/৯৬) আৰু এচ.এল.পি.(চি) সংখ্যা ২১৬১৫/৯৬-ৰ অনুমতি প্ৰদান কৰা হ'ল।

মহাৰাষ্ট্ৰ কো-অপাৰেটিভ ছ'চাইটীজ আইন, ১৯৬০ (ইয়াৰ পাছত 'আইনখন' বুলি উল্লেখিত)-ৰ ধাৰা ১৪৪-টি-ৰ সাংবিধানিক বৈধতাক জনোৱা প্ৰত্যাহ্বান বম্বে উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ সন্মুখত ব্যৰ্থ হয় আৰু আবেদনকাৰীৰ দ্বাৰা দাখিল কৰা লেখ আবেদন ১০ জানুৱাৰী, ১৯৯৬ তাৰিখৰ আদেশযোগে খাৰিজ কৰা হয়।

বিশেষ অনুমতিৰ দ্বাৰা দাখিল কৰা এই আবেদনসমূহে বম্বে উচ্চ ন্যায়ালয়ৰ সেই ৰায়দানটো বিষয়বস্তুৰূপে আমাৰ সমুখত উপস্থাপন কৰিছে।

আইনখনৰ ধাৰা ১৪৪-টি অনুসৰি:

"১৪৪-টি। নিৰ্বাচনৰ লগত জড়িত বিবাদসমূহ আয়ুক্ত বা অন্য নিৰ্দিষ্ট বিষয়াক দাখিল কৰিব লাগে – (১) ধাৰা ৯১ আৰু এই আইনখনৰ আন যিকোনো বিধিত সন্নিৱিষ্ট যিকোনো কথা সত্ত্বেও এটা নিৰ্বাচনৰ লগত জড়িত যিকোনো বিবাদ তেনে নিৰ্বাচন অনুষ্ঠিত হোৱা খণ্ডটোৰ আয়ুক্তক বা এই উদ্দেশ্যে ৰাজ্য চৰকাৰে কৰ্তৃত্ব প্ৰদান কৰা এটা খণ্ডৰ অতিৰিক্ত আয়ুক্ততকৈ তলৰ পদৰ নোহোৱা এগৰাকী বিষয়াক অৱগত কৰিব লাগে (ইয়াৰ পাছত এই অংশত প্ৰসংগ অনুসৰি যিকোনো এগৰাকীক "নিৰ্দিষ্ট বিষয়াগৰাকী" বুলি উল্লেখ কৰিব পাৰি)।

(২)এনে প্ৰসংগ কোনো ভুক্তভোগী পক্ষই নিৰ্দিষ্ট বিষয়াৰ ওচৰত নিৰ্বাচনৰ ফলাফল ঘোষণাৰ তাৰিখৰ পৰা দুমাহৰ ভিতৰত নিৰ্বাচনী আবেদন দাখিল কৰি উল্লেখ কৰিব পাৰে;

যদিহে সেই সময়সীমা শেষ হোৱাৰ পিছত নিৰ্দিষ্ট বিষয়াই যিকোনো আবেদন গ্ৰহণ কৰিব পাৰে, যদিহে আবেদনকাৰীয়ে নিৰ্দিষ্ট বিষয়াক সন্তুষ্ট কৰে যে উক্ত সময়সীমাৰ ভিতৰত আবেদনখন দাখিল নকৰাৰ বাবে তেওঁৰ যথাযোগ্য কাৰণ আছিল।

(৩) এই অধ্যায়ৰ দ্বাৰা বা অধীনত নির্দিষ্ট বিষয়াগৰাকীৰ ওপৰত ন্যস্ত দায়িত্বসমূহ পালন কৰোতে নিম্নলিখিত বিষয়সমূহত তেওঁৰ আদালতৰ সৈতে একে ক্ষমতা থাকিব –

(ক) হলফনামাৰ দ্বাৰা তথ্যৰ প্ৰমাণ;

(খ) যিকোনো ব্যক্তিৰ হাজিৰাৰ বাবে চমন দিয়া তথা জাৰি কৰা আৰু শপতৰ অধীনত তেওঁক জেৰা কৰা;

(গ) নথি-পত্ৰ উপস্থাপনৰ পতিয়নযোগ্য আৱিষ্কাৰ; আৰু

(ঘ) সাক্ষী জেৰাৰ বাবে কমিশ্যন গঠন কৰা।

এনে কোনো হলফনামাৰ ক্ষেত্ৰত ইয়াৰ বাবে নির্দিষ্ট বিষয়াগৰাকীৰ দ্বাৰা নিযুক্ত বিষয়া এগৰাকীয়ে সাক্ষীক শপতবাক্য পাঠ কৰোৱাব পাৰে।

(৪) এই সম্পৰ্কে ৰাজ্য চৰকাৰে গৃহীত কৰা যিকোনো নিয়মাৱলী সাপেক্ষে নির্দিষ্ট বিষয়াগৰাকীৰ দ্বাৰা এনে যিকোনো আবেদনৰ যতসম্ভৱ ক্ষিপ্ৰতাৰে শুনানি আৰু নিষ্পত্তি হ'ব। নির্দিষ্ট বিষয়াগৰাকীৰ দ্বাৰা প্ৰদত্ত আদেশ চূড়ান্ত তথা নির্ণায়ক হ'ব আৰু কোনো আদালতত প্ৰশ্নৰ সন্মুখীন নহ'ব।

উপৰোক্ত বিধিসমূহৰ সাংবিধানিক বৈধতা সম্পৰ্কে প্ৰত্যাহ্বান জনোৱা প্ৰাথমিক ভিত্তিসমূহ আছিল; (ক) ধাৰা ১৪৪-টি-ৰ অধীনত আয়ুক্তৰ আদেশৰ বিৰুদ্ধে আপীল বা পুনৰীক্ষণৰ জৰিয়তে কোনো সংশোধনী ব্যৱস্থা কৰা হোৱা নাই আৰু (খ) যে ই ভাৰতৰ সংবিধানৰ ১৪ নং অনুচ্ছেদক উলংঘা কৰিছিল।

আইনখনৰ বিষয়ে পঢ়িলে দেখা যায় যে বৃহৎ প্ৰতিষ্ঠানসমূহৰ সৈতে জড়িত নিৰ্বাচনী বিবাদৰ বিচাৰৰ বাবে এক পৃথক কাৰ্যব্যৱস্থা প্ৰদান কৰাৰ উদ্দেশ্যেৰে ধাৰা ১৪৪-টি প্ৰণয়ন কৰা হৈছিল। এই ধাৰাটোৱে কিছুমান নিৰ্দিষ্ট অঞ্চলত নিৰ্বাচনী বিবাদ মীমাংসা কৰাৰ বাবে সীমিত ক্ষমতাহে প্ৰদান কৰে আৰু আইনখনৰ একাদশ এ অধ্যায়ৰ দ্বাৰা প্ৰাপ্ত কৰিবলগীয়া লক্ষ্যৰ সৈতে ইয়াৰ স্পষ্ট সম্পৰ্ক আছে। আমাৰ মত অনুযায়ী এই বিধিত স্বেচ্ছাচাৰীতা বা অযুক্তিকৰতাৰ অৱকাশ নাথাকে।

*চাপদগাও বিবিধ কাৰ্যকাৰী সেৱা সহকাৰী ছ'চাইটী লিমিটেড আৰু অন্যান্য* বনাম *কালেক্টৰ অৱ আহমেদনগৰ আৰু অন্যান্য,* (১৯৮৯) এম.এইচ. এল.জে. ৮৭২-ত বম্বে উচ্চ ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠে আইনখনৰ ধাৰা ১৪৪-টি-ৰ সাংবিধানিক বৈধতা সম্পৰ্কে বিবেচনা কৰে। বৰ্তমানৰ গোচৰটোত উত্থাপিত হোৱা যুক্তিসমূহ সেই গোচৰটোতো উচ্চ ন্যায়ালয়ৰ সন্মুখত উত্থাপিত হৈছিল। সেই একেখিনি বিশদভাৱে বিবেচনা কৰা হৈছিল আৰু খাৰিজ কৰা হৈছিল। খণ্ড বিচাৰপীঠখনে লক্ষ্য কৰিছিল যে বিধিসমূহৰ আওতাত পৰা অঞ্চল আৰু ক্ষেত্ৰসমূহ স্বতন্ত্ৰ আৰু পৃথক আছিল আৰু স্বতন্ত্ৰ আৰু পৃথক বিধিসমূহৰ তুলনামূলক অধ্যয়নৰ পদ্ধতিৰ দ্বাৰা আইনখনৰ ধাৰা ১৪৪-টি -এ সংবিধানৰ ১৪ নং অনুচ্ছেদক উলংঘা কৰে বুলি বাতিল কৰিব পৰা হোৱা নাছিল। লগতে এই মতো প্ৰদান কৰা হৈছিল যে গঠন কৰা শ্ৰেণীবিভাজন যুক্তিসংগত আছিল আৰু আইনখনৰ একাদশ এ অধ্যায়ৰ দ্বাৰা প্ৰাপ্ত কৰিবলগীয়া লক্ষ্য, অৰ্থাৎ নিৰ্বাচনসমূহ সমাহৰ্তাৰ অধীনত অনুষ্ঠিত হোৱাৰ সৈতে ইয়াৰ স্পষ্ট সম্পৰ্ক আছে।

*চাপদগাও বিবিধ কাৰ্যকাৰী সেৱা সহকাৰী ছ'চাইটী লিমিটেড আৰু অন্যান্য* বনাম *কালেক্টৰ অৱ আহমেদনগৰ আৰু অন্যান্য* (উপৰোক্ত)-ত বম্বে উচ্চ ন্যায়ালয়ৰ

দ্বাৰা প্ৰদান কৰা যুক্তি সঠিক আৰু আমাৰ বাবে মনোগ্ৰাহী। খণ্ড বিচাৰপীঠখনৰ ৰায়দানটো উচ্চ ন্যায়ালয়ৰ বৰ্তমানৰ গোচৰটোত ভিত্তি হিচাপে গ্ৰহণ কৰা হৈছিল। আমি গ্ৰহণ কৰা দৃষ্টভংগীৰ পৰিপ্ৰেক্ষিতত উচ্চ ন্যায়ালয়ৰ বিতৰ্কিত ৰায়দানটোত কোনো বিসংগতি পোৱা নাই যিয়ে আইনখনৰ ধাৰা ১৪৪-টি-ৰ সাংবিধানিক বৈধতাক জনোৱা প্ৰত্যাহ্বান খাৰিজ কৰিছে।

গতিকে এই আবেদনসমূহৰ কোনো যুক্তিযুক্ততা নাই আৰু সেয়ে খাৰিজ কৰা হৈছে। ব্যয় অবিহনে।

আৰ.পি. আবেদনসমূহ খাৰিজ কৰা হৈছে।

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)